# ফ্লিপকাৰ্টত অসমীয়া ভাষাৰ সংযোজন

**"গ্ৰাহকক অসমীয়া ভাষাত বজাৰ কৰাৰ অভিজ্ঞতা প্ৰদানৰ উদ্দেশ্যে অসমীয়া ভাষালৈ ৫.৪ নিযুততকৈও অধিক শব্দৰ অনুবাদ কৰা হৈছে"**

**"এই সংযোজনৰ জৰিয়তে ফ্লিপকাৰ্টে মুঠ নটা ভাৰতীয় ভাষাত শাখাৰ ভিতৰতে শ্ৰেষ্ঠ ই-কমাৰ্চ অভিজ্ঞতা প্ৰদান কৰিছে"**

**"আঞ্চলিক ভাষাৰ ক্ষেত্ৰত এনে গুৰুত্বপূৰ্ণ পদক্ষেপ বিক্ৰেতা, এম এছ এম ই আৰু শিল্পীসকলৰ বাবে সহায়ক হ'ব"**

**বেংগালুৰু ঃ** বিভিন্ন ভাৰতীয় ভাষাৰ ব্যৱহাৰকাৰীসকলক অনলাইন বাণিজ্যৰ নতুন অভিজ্ঞতা প্ৰদানৰ অংশ হিচাপে আগশাৰীৰ ই-কমাৰ্চ প্ৰতিষ্ঠান ফ্লিপকাৰ্টে তেওঁলোকৰ প্লেটফৰ্মত অসমীয়া ভাষাৰ সংযোজনৰ কথা ঘোষণা কৰিছে। ইয়াৰ ফলত অসমৰ ফ্লিপকাৰ্টৰ গ্ৰাহকসকলৰ লগতে এই অঞ্চলৰ স্থানীয় বিক্ৰেতা, এম এছ এম ই আৰু শিল্পীসকলো উপকৃত হ'ব। এই ব্যৱস্থাৰ জৰিয়তে স্থানীয় লোকসকলে ক'ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সামগ্ৰীও এতিয়াৰে পৰা অতি সহজে ফ্লিপকাৰ্টৰ জৰিয়তে ক্ৰয় কৰিব পাৰিব। ডিছপ্লে বেনাৰৰ পৰা কেটেগৰী পেজ আৰু প্ৰডাক্ট বিৱৰণলৈকে সকলো ক্ষেত্ৰতে ফ্লিপকাৰ্টে অসমীয়াভাষী গ্ৰাহকসকলৰ প্ৰতি লক্ষ্য ৰাখি এনেদৰে অসমীয়া ভাষাৰ সংযোজন ঘটাইছে। ইয়াৰ বাবে ৫.৪ নিযুততকৈ অধিক শব্দৰ অসমীয়া অনুবাদ কৰা হৈছে। এনে শব্দৰ ভিতৰত আছে ই এম আই, ডেলিভাৰী, ফিল্টাৰ, কাৰ্ট, অ'টিপি ইত্যাদি। নতুনকৈ ২০০ নিযুত গ্ৰাহক সংযোজন কৰাৰ পৰিকল্পনাৰ অংশ হিচাপে গ্ৰাহকসকললৈ অসমীয়া ভাষাতে বজাৰ কৰাৰ এনে সুবিধা আগবঢ়াইছে ফ্লিপকাৰ্টে। অসমীয়া ভাষাকে ধৰি এতিয়া মুঠ ৯ টাকৈ ভাৰতীয় ভাষাত ফ্লিপকাৰ্টৰ সেৱা উপলব্ধ হ'ল। এই ভাষাকেইটা হৈছে— হিন্দী, তামিল, তেলুগু, কানাড়া, মাৰাঠী, বাঙালী, গুজৰাটী আৰু ওড়িয়া। ঔদ্যোগিক প্ৰতিবেদন অনুসৰি ২০২১ চনৰ শেষলৈ ভাৰতীয় ভাষাত ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা ৭৫ শতাংশপৰ্যন্ত বৃদ্ধি পাব। মূলতঃ সৰু চহৰৰ এনে ব্যৱহাৰকাৰীসকলে অনলাইন বিক্ৰী খণ্ডৰ বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব বুলি আশা কৰা হৈছে।

ফ্লিপকাৰ্টৰ জ্যেষ্ঠ উপাধ্যক্ষ তথা মুখ্য কৰ্প'ৰেট পৰিক্ৰমা বিষয়া ৰাজনীশ কুমাৰে কয়— 'আমাৰ প্লেটফৰ্মত অসমীয়া ভাষা আগবঢ়াবলৈ পাই আমি আনন্দিত। ইয়াৰ ফলত কোৰোনা সংক্ৰমণৰ এই সময়ত প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিব বিচৰা অসমৰ গ্ৰাহকসকল উপকৃত হ'ব। অসমীয়া ভাষাৰ সংযোজনৰ জৰিয়তে আমাৰ ব্যৱহাৰকাৰীসকলক তেওঁলোকৰ নিজৰ ভাষাতে বজাৰ কৰাৰ অভিজ্ঞতা প্ৰদানৰ ক্ষেত্ৰত এক নতুন মাত্ৰা সংযোজন কৰিবলৈ সক্ষম হ'লো। ইয়াৰ জৰিয়তে থলুৱা বিক্ৰেতা, প্ৰস্তুতকাৰী আৰু শিল্পীসকলৰ পৰিবেশতন্ত্ৰ শক্তিশালী হোৱাৰ লগতে অধিক চাকৰিৰো সৃষ্টি হ'ব।'

**About Flipkart:**

The Flipkart Group is one of India's leading digital commerce entities and includes group companies Flipkart, Myntra, and Flipkart Wholesale. Started in 2007, Flipkart has enabled millions of consumers, sellers, merchants, and small businesses to be a part of India's e-commerce revolution, with a registered customer base of over 300 million, offering over 150 million products across 80+ categories. Our efforts to democratize e-commerce in India, drive access and affordability, delight customers, create lakhs of jobs in the ecosystem and empower generations of entrepreneurs and MSMEs have inspired us to innovate on many industry firsts. The recent launch of Flipkart Wholesale, our new digital marketplace, is a testament to our commitment to accelerate the growth of kiranas and MSMEs in India. Flipkart is known for pioneering services such as Cash on Delivery, No Cost EMI and easy returns – customer-centric innovations that have made online shopping more accessible and affordable for millions of Indians. Together with Myntra, which holds a prominent position in the online fashion market, and now Flipkart Wholesale, the Flipkart Group will continue to steer the transformation of commerce in India through technology.

For more information, please contact media@flipkart.com

*KPMG-Google Indian languages- Defining India’s Internet report